অসম আদিত্য

সোমবাৰ, ১১ নৱেম্বৰ, ২০২৪ ২৫ কাতি, ১৯৪৬ শক

# ডিব্ৰু কলেজত 'ভাষা গৌৰৱ সপ্তাহ' উদ্‌যাপন

ডিব্ৰুগড়, ১০ নৱেম্বৰ ঃ অসমৰ ৰাজ্যভাষা অসমীয়াই ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰাক কেন্দ্ৰ কৰি সমগ্ৰ ৰাজ্যতে 'ভাষা গৌৰৱ সপ্তাহ' সগৌৰৱে পালন কৰা হ'ল। উজনি অসমৰ অগ্ৰণী শিক্ষানুষ্ঠান ডিব্ৰু মহাবিদ্যালয়ত এই অনুষ্ঠান উলহ-মালহেৰে অনুষ্ঠিত কৰা হয়। যোৱা ৬ আৰু ৯ নৱেম্বৰ, ২০২৪ত দুদিনীয়াকৈ অনুষ্ঠিত হোৱা অনুষ্ঠানটিত ৬ নৱেম্বৰত 'অসমীয়া ভাষাৰ ঐতিহ্য আৰু ইয়াৰ ভৱিষ্যৎ' শীৰ্ষক এখনি বক্তৃতানুষ্ঠান অনুষ্ঠিত কৰা হয়। উক্ত অনুষ্ঠানত সমন্ধ ব্যক্তিৰূপে উপস্থিত থাকে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত প্ৰাধ্যাপক ড০ ভীমকান্ত বৰুৱা। বিশিষ্ট শিক্ষাবিদগৰাকীয়ে অসমীয়া ভাষাৰ বিভিন্ন গুৰুত্বপূৰ্ণ দিশৰ বিষয়ে সাৱলীল ব্যাখ্যা আগবঢ়ায়। ইয়াৰ পৰৱৰ্তী অনুষ্ঠান হিচাপে যোৱা ৯ নৱেম্বৰত তিনিটা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। পুৱা শিক্ষাৰ্থীসকলৰ মাজত 'যোগাযোগৰ মাধ্যম হিচাপে অসমীয়া' ভাষা শীৰ্ষক বিষয়ত থলীতে লিখা ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত হয়। উক্ত প্ৰতিযোগিতাৰ বিজয়ী শিক্ষাৰ্থীসকল ক্ৰমে— প্ৰথম- প্ৰস্তুতি ফুকন, দ্বিতীয়- অজিনী দিহিঙীয়া আৰু তৃতীয়- লোহিত মানিকিয়াল। ইয়াৰ পিছতে অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিৰ বিষয় আধাৰিত এখনি আকস্মিক বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হয়। এই প্ৰতিযোগিতাৰ বিজয়ী শিক্ষাৰ্থীসকল হৈছে — প্ৰথম- নিতামণি গগৈ, দ্বিতীয়- মানস প্ৰতীম ৰাইডঙীয়া আৰু তৃতীয়- লোহিত মানিকিয়াল, কপিল বৰা। দুয়োটা প্ৰতিযোগিতাতে গৰিষ্ঠসংখ্যক শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰি অনুষ্ঠান দুটা সাফল্যমণ্ডিত কৰি তোলে। অনুষ্ঠানৰ অন্তিমটো কাৰ্যসূচী হিচাপে আছিল 'অসমীয়া ভাষাৰ উদ্ভৱ আৰু অসমত যোগাযোগৰ প্ৰধান ভাষা অসমীয়া' শীৰ্ষক এটি বক্তৃতানুষ্ঠান। উক্ত বক্তৃতা প্ৰদান কৰে মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপিকা তথা বিশিষ্ট কবি ড০ মৌচুমী দত্তই। তেওঁ অসমীয়া ভাষাৰ জন্ম কাহিনীৰ লগতে সমগ্ৰ অসমৰ প্ৰেক্ষাপটত সংযোগী ভাষা হিচাপে অসমীয়া ভাষাই পালন কৰা ভূমিকা সম্পৰ্কে পুংখানুপুংখ ব্যাখ্যা আগবঢ়ায়। দুয়োটা দিনৰ কাৰ্যসূচী পৰিচালনা কৰে অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ড০ বিজু মৰাণে। সমগ্ৰ অনুষ্ঠানত উপস্থিত থাকে মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ ৰঞ্জন চাংমাই আৰু উপাধ্যক্ষ ড০ অদিতি বৰুৱা। সামৰণী অনুষ্ঠানত উপস্থিত থকা গৰিষ্ঠ সংখ্যক শিক্ষক-শিক্ষাৰ্থীয়ে সমবেতভাৱে 'চিৰ চেনেহী মোৰ ভাষা জননী' গীত পৰিৱেশন কৰাৰ পিছতে দুদিনীয়া অনুষ্ঠানটিৰ সামৰণী পৰে।